# Virtual Meeting between EAM and Foreign Affairs Minister of Morocco

October 22, 2020

# বিদেশ বিষয়ক মন্ত্ৰী আৰু মৰক্কোৰ বিদেশ বিষয়ক মন্ত্ৰীৰ মাজত ভাৰচ্যুৱেল বৈঠক

অক্টোবৰ 22, 2020

1. বিদেশ বিষয়ক মন্ত্ৰী ডঃ এছ জয়শংকৰে 22 অক্টোবৰ 2020 তাৰিখে এখন ভাৰচ্যুৱেল বৈঠক কৰে বিদেশ বিষয়ক মন্ত্ৰী, আফ্ৰিকান সহযোগীতা আৰু মৰক্কান প্ৰবাসী মৰক্কো ৰাজ্যৰ মহামান্য মিঃ নাচ্ছেৰ বৌৰিতাৰ সৈতে।

2. দুয়ো পক্ষই স্বীকাৰ কৰে যে দ্বিপক্ষীয় সম্বন্ধই যথেষ্ঠ গভীৰতা আৰু প্ৰাণশক্তি পাইছে অক্টোবৰ 2015 চনত মহামান্য মহম্মদ VI, মৰক্কোৰ ৰজাৰ ভ্ৰমণৰ পিছত তৃতীয় ভাৰত-আফ্ৰিকা পৰিষদ সন্মিলনত। 23 টা মন্ত্ৰী স্তৰৰ ভ্ৰমণ আৰু 40 টা চুক্তি সম্পন্নৰ পিছত প্ৰযুক্তিবিদ্যা, শিক্ষা, সংস্কৃতি, কৃষি, পাৰস্পৰিক আইনী সহযোগীতা, প্ৰত্যৰ্পণ আদি বিভিন্ন ক্ষেত্ৰত, দুয়ো পক্ষৰ এক শক্তিশালী ইচ্ছা আছিল দ্বিপক্ষীয় সম্পৰ্কত এক উচ্চ স্তৰলৈ লৈ যোৱাৰ। বিদেশ বিষয়ক মন্ত্ৰীয়ে ভাৰতৰ প্ৰশংসা প্ৰকাশ কৰে মহামান্য ৰজাৰ দৰ্শনীয় নেতৃত্বৰ মৰক্কোক অৰ্থনৈতিক প্ৰগতি আৰু প্ৰচুৰ্য্যৰ ফালে লৈ যোৱাত।

3. বাণিজ্যিক আৰু বিনিয়োগ সম্পৰ্কত বিকাশ ধনাত্মকভাৱে নিৰীক্ষণ কৰি, মন্ত্ৰীসকলে উল্লেখ কৰে, বিশেষকৈ, ঘনিষ্ঠ সহযোগীতা সাৰ, বয়ন, ঔষধ, বাহন আৰু আই চি টি ক্ষেত্ৰত। তেওঁলোকে আগলৈ স্বীকাৰ কৰে যে যোৱা দুবছৰত চাইবাৰ সুৰক্ষা, সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুজঁ আৰু মহাকাশৰ ক্ষেত্ৰত কৰা চুক্তিয়ে এক শক্তিশালী গাঠঁনি প্ৰদান কৰিছে এক শক্তিশালী আৰু বিস্তৃত সম্পৰ্কৰ গাঠঁনি নিৰ্মাণ কৰাত। মন্ত্ৰীকেইগৰাকীয়ে মান্তি হয় যে দুয়ো পক্ষই সুৰক্ষা সহযোগীতা আৰু সাংস্কৃতিক আদান-প্ৰদান কাৰ্যক্ৰমৰ চুক্তিৰ চূড়ান্তকৰণ খৰ কৰিব লাগে যাতে সেয়া অতি সোনকালে স্বাক্ষৰ কৰিব পৰা যায়।

4. তেওঁলোকে আলোচনা কৰে নিজ নিজ ৰাষ্ট্ৰীয় ধৰণ কোভিড-19 মহামাৰীৰ প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়াৰি। বিদেশ বিষয়ক মন্ত্ৰীয়ে মিঃ বৌৰিতাক ধন্যবাদ জ্ঞাপন কৰে মৰক্কান চৰকাৰৰ সমৰ্থনৰ বাবে মৰক্কোত মহামাৰীৰ বাবে আন্তঃৰাষ্ট্ৰীয় ফ্লাইট বাতিল হোৱাৰ ফলত ৰৈ যোৱা ভাৰতীয় নাগৰিকক উভতাই অনাৰ বাবে। মিঃ বৌৰিতাই, আনহাতে, নিজৰ চৰকাৰৰ প্ৰশংসা প্ৰকাশ কৰে এই গুৰুত্বৰ সময়ত ভাৰতে ঔষধৰ বাণিজ্যিক ৰপ্তানি সাধন কৰাৰ বাবে।

5. দুয়ো মন্ত্ৰীৰ এক গভীৰ আলোচনা কৰে আঞ্চলিক আৰু বিশ্বব্যাপী বিষয়ৰ ওপৰত, যাৰ ভিতৰত থাকে ৰাষ্ট্ৰ সংঘৰ সংশোধন, সন্ত্ৰাসবাদৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় যুঁজ, বতৰ পৰিৱৰ্তন, পুনৰ সজীৱ

কৰিব পৰা শক্তি আৰু ভাৰত-আফ্রিকা পৰিষদ সন্মিলন (আই এ এফ এছ) পদ্ধতিৰ অধীনত সহযোগীতা।

6. লিবিয়াৰ সমস্যাৰ ওপৰত মিঃ বৌৰিতাৰ তথ্যৰ ওপৰত প্রতিক্রিয়া প্রকাশ কৰি, য'ত আছিল শেহতীয়া আন্তঃ লিবিয়াম আলোচনা বৌজনিকাত, বিদেশ বিষয়ক মন্ত্রীয়ে প্রশংসা কৰে মৰক্কোৰ দৃঢ় আৰু গঠনমূলক আলোচনাৰ সকলো লিবিয়ান পক্ষৰ সৈতে এই সমস্যাৰ আৰম্ভণিৰে পৰা, আৰু মৰক্কোৰ সগযোগীতাৰ ৰাষ্ট্ৰ সংঘৰ প্রচেষ্টাৰ প্রতি এক শান্তিপূর্ণ সমিধান বিচৰাৰ এক লিবিয়ান-নেতৃত্বৰ আৰু লিবিয়ান-মালিকানাৰ ৰাজনৈতিক প্রক্রিয়াৰে, লিবিয়ান নাগৰিকৰ বৈধ আশাৰ কথা ভাৱি দেশখনৰ সাৰ্বভৌমিত্ব, একতা আৰু আঞ্চলিক অখণ্ডতা অটুট ৰাখি।

7. মিঃ বৌৰিতাই ভাৰতক অভিনন্দন জনাই 2021-22 ম্যাদৰ বাবে ইউ এন এছ চি-ত অস্থায়ি স্থানত নিয়োগ হোৱাৰ বাবে আৰু মৰক্কান চৰকাৰৰ সমৰ্থন জনাই এক বৰ্ধিত ৰাষ্ট্ৰ সংঘ সুৰক্ষা পৰিষদত ভাৰতৰ স্থায়ি সদস্যপদৰ বাবে। দুয়ো পক্ষই সন্তুষ্টি প্রকাশ কৰে দুইখন দেশৰ মাজত অব্যাহত ঘনিষ্ঠ সহযোগীতাৰ ওপৰত বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংগঠনত, যাৰ ভিতৰত ৰাষ্ট্ৰ সংঘও আছে।

8. বিদেশ বিষয়ক মন্ত্রীয়ে ভাৰতৰ সমৰ্থন প্রকাশ কৰে ৰাষ্ট্ৰ সংঘৰ সভাপতিৰ প্রচেষ্টাৰ ওপৰত এক বাস্তৱিক, দীৰ্ঘস্থায়ী, পাৰস্পৰিক ধৰণে আলোচনা কৰা আৰু গ্রহণযোগ্য ৰাজনৈতিক সমিধান চাহাৰা বিষয়টোৰ ওপৰত আৰু এই দিশত মৰক্কো ৰাজ্যৰ প্রচেষ্টা উল্লেখ কৰে।

9. বিদেশ বিষয়ক মন্ত্রীয়ে পুনৰ উল্লেখ কৰে তেওঁৰ নিমন্ত্রণ মিঃ বৌৰিতাক ভাৰত ভ্রমণ যেতিয়া পৰিস্থিতিয়ে অনুমতি দিয়ে, যি আনন্দেৰে মৰক্কান বিদেশ মন্ত্রীয়ে স্বীকাৰ কৰে।

**নতুন দিল্লী**
**অক্টোবৰ 22, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.